Elementary English

প্ৰাথমিক ইংৰাজী

TESS India

# The learning environment

# শিকন পৰিৱেশ






Teacher Education through School-based Support in India

www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

*TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.*

*TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.*

*TESS-India is led by The Open University UK and funded by the UK government.*

***Video resources***

*Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.*

*The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.*

*TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.*

*Version 2.0 EE12v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*
*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

# এই গোটটো কিহৰ বিষয়ে (What this unit is about)

ঘৰ আৰু সমাজত ছপা আখৰ থকা পৰিৱেশ (পৰিৱেশীয় ছপা আখৰ) আৰু আপোনাৰ শ্ৰেণীকোঠাত এটা ছপা সমৃদ্ধ পৰিৱেশ গঢ়ি তোলাৰ ওপৰত এই গোটে আলোকপাত কৰিছে।

সাক্ষৰতাৰ দিশত ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম খোজ দিয়া মানে তেওঁলোকে বুজি পায় যে, তেওঁলোকে চাৰিওফালে দেখা আখৰবোৰে একো একোটা অৰ্থ বহন কৰে। ঘৰত আৰু সমাজত দেখা ছপা আখৰকে প্ৰায় ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম পঢ়িবলৈ শিকে। এই লেখাবোৰ আমাৰ দৈনন্দিন জীৱনৰ অংশ। আমি চাৰিওফালে দিনটোত দেখি থকা বাতৰি কাকত, প'ষ্টাৰ, টিকট, পেকেট আদিতো এই লেখাবোৰ পাওঁ। যেতিয়া ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ আহে বিভিন্ন ছপা আখৰৰ পৰিৱেশ যেনে - চাৰ্ট, তালিকা, দৈনিক ৰুটিন, লেবেল আৰু সকলোধৰণৰ নতুন পঠন সামগ্ৰী দেখিবলৈ পায়। বিদ্যালয় আৰু সমাজৰ এই সমলসমূহ শিক্ষকে ইংৰাজী শিকাবলৈ ভালদৰে ব্যৱহাৰ কৰিব পাৰে।

এই গোটৰ ত্ৰি য়া-কলাপে আপোনাৰ শ্ৰেণীকোঠাত ছপা আখৰৰ পৰিৱেশ সৃষ্টি কৰাৰ সুযোগ দিব। ছাত্ৰ-ছাত্ৰীৰ লগতে আপোনাৰ নিজৰো ইংৰাজীৰ উন্নতি আৰু অনুশীলনৰ বাবে আপুনি যিকোনো ধৰণেই পাঠ আৰম্ভ কৰিব পাৰে। আপোনাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় আৰু খাপ খোৱা ত্ৰি য়া-কলাপহে বাছি ল'ব।

# এই গোটটোৰ পৰা কি শিকিব (What you can learn in this unit)

- ইংৰাজী সাক্ষৰতাৰ বাবে থলুৱা ছপা সমলবোৰ ব্যৱহাৰ কৰিবলৈ
- ইংৰাজী পাঠত ছপা আখৰ ভিত্তিক ত্ৰি য়া-কলাপৰ পৰিকল্পনা কৰিবলৈ
- কথোপকথনৰ বাবে ইংৰাজী সাক্ষৰতা সমলসমূহ প্ৰস্তুত কৰিবলৈ

# ১) পৰিৱেশীয় ছপা আখৰ কি ? (1 What is environmental print?)

পৰিৱেশীয় ছপা আখৰ কি, ইয়াৰ অৰ্থনো কি আৰু ছাত্ৰ-ছাত্ৰীৰ শিকনত ই কেনেকৈ সহায় কৰে সেইটোৰ ওপৰত মনোনিৱেশ কৰিয়েই আৰম্ভ কৰক।

পৰিৱেশীয় ছপা আখৰ হৈছে প্ৰথম লেখা যাক ছাত্ৰ-ছাত্ৰীয়ে আনন্দ আৰু উৎসুকতাৰে পঢ়িবলৈ শিকে। উদাহৰণস্বৰূপে, বহু ছাত্ৰ-ছাত্ৰীয়ে ১ নং চিত্ৰত থকা কথাখিনিৰ আকাৰ দেখিয়ে আইচত্ৰীম বুলি বুজি পায়। আপুনি এনেধৰণৰ আন কোনো চিহ্ন বা ল'গ'ৰ কথা ভাবিব পাৰেনে ?

চিত্ৰ ১ - মাদাৰ ডেইৰীৰ ল'গ'

বহু ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ আহোঁতে ছপা আখৰ আৰু অলপ ইংৰাজীৰ জ্ঞান লৈ আহে। বিদ্যালয়ত তেওঁলোকৰ লিখনিৰ বিভিন্ন চাৰ্ট, তালিকা, নাম, ৰুটিন, লেবেল আৰু সকলো প্ৰকাৰৰ পঠন সামগ্ৰীৰ লগত পৰিচয় হয়। কম খৰছ বা একেবাৰে খৰছ নোহোৱাকৈ আপুনি আপোনাৰ শ্ৰেণীকোঠাতো আনন্দমুখৰ আৰু দৃশ্যমান কৰি তুলিব পাৰে - য'ত ছাত্ৰ-ছাত্ৰীয়ে ছপাৰ লগত পৰিচয় হোৱাৰ সুবিধা পাব। শ্ৰেণীকোঠাৰ বেৰ আৰু খালী ঠাই আপুনি সৃষ্টিশীল যোগাযোগৰ এক পৰিৱেশ কৰি তুলিব পাৰে য'ত বিদ্যালয়, সমাজ আৰু ঘৰৰ বিভিন্ন লিখনি আপুনি সজাব পাৰে আৰু ছাত্ৰ-ছাত্ৰীক শিকাব পাৰে।

## ক্ৰিয়া-কলাপ ১ ঃ চিহ্ন আৰু প্ৰতীক চিহ্নৰ পৰা পঠনলৈ (Activity 1: From signs and symbols to reading)

আপুনি কেতিয়াবা বিদেশ বা নিজৰ দেশৰে আন ৰাজ্যলৈ গৈছেনে য'ত তেওঁলোকৰ ৰাজ্যিক ভাষা আপুনি পঢ়িব পৰা নাই? আপুনি ক'লৈ যাব লাগে সেইটো কেনেকৈ বিচাৰি উলিয়াব, কি কৰিব বা দোকানৰ চিহ্ন আৰু ৰাস্তাত থকা পোষ্টাৰেই বা কি বুজাইছে? এইবোৰত আপুনি কেতিয়াবা ভুল কৰিছিলনে? কেতিয়াবা এনে চিহ্নৰে শুদ্ধভাৱে কাম কৰি আনন্দ পাইছিলনে? আপুনি আপোনাৰ ঘৰুৱা ভাষাৰ জ্ঞান নতুন ভাষাৰ অৰ্থ উলিওৱাত প্ৰয়োগ কৰিছিলনে?

আপোনাৰ ছাত্ৰ-ছাত্ৰী যিয়ে পঢ়িবলৈ এতিয়াও শিকা নাই তেওঁলোক এই বিদেশত আছে। তেওঁলোকে মাত্ৰ বিভিন্ন ঠাইত বিভিন্ন বস্তুত লিখিত ৰূপত থকা বৰ্ণ আৰু শব্দবোৰ দেখে। বজাৰৰ বিভিন্ন বাকচত, কাপোৰৰ লেবেলৰ আখৰ আৰু শব্দবোৰ, ৰাস্তাত থকা ৰাস্তাৰ চিহ্নবোৰত, মন্দিৰৰ মছজিদৰ জাননীবোৰ আৰু ম'বাইল ফোনৰ পাঠসমূহতে দেখা পায়। তেওঁলোকে জানে যে এই চিহ্ন আৰু দাগবোৰে কিছু বাতৰি বহন কৰে। লিখনিৰ আশে পাশে থকা ছবি, চিন, ৰং, আকাৰ আদিৰ সহায় লৈ তেওঁলোকে পঢ়িবলৈ যত্ন কৰে।

চিত্ৰ ২ চাওক - চিন্তা কৰক কেনেকৈ ছবি আৰু শব্দই একেলগে কাম কৰিছে, লগতে মন কৰিব ৰং সমূহ আকাৰ আৰু শব্দৰ সৈতে কেনেকৈ আছে। এটাও যদি শব্দ পঢ়িব নোৱাৰে, তেনেহ'লে এই চিহ্নবোৰে কি বুজাইছে সেইটো আপুনি কেনেকৈ জানিব?




চিত্ৰ ২ - তিনিটা চিহ্ন

আপুনি যদি অসমীয়া, ইংৰাজী ভাষা এটাও নাজানে তেনেহ'লে চিহ্নবোৰৰ অৰ্থ উলিয়াবলৈ জীৱনত পোৱা অভিজ্ঞতা বা পৃথিৱী সম্বন্ধে থকা জ্ঞানৰ সহায় লওক। ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ পৃথিৱী সম্বন্ধীয় আৰু ভাষা সম্বন্ধীয় জ্ঞান লাভ কৰি আছে।

নগৰৰ ছাত্ৰ-ছাত্ৰীয়ে কোম্পানী আৰু পণ্যদ্ৰব্যত লিখা লিখনি পঢ়িব পাৰে। একেদৰে গাঁৱৰ ছাত্ৰ-ছাত্ৰীয়ে 'ৰেলৰে' ত্ৰ চিং বা বাছ আস্থানৰ বাবে দিয়া চিহ্নবোৰ বুজি পায়। পৰিৱেশীয় ছপা কথা বতৰাবোৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব পাৰে কিয়নো তেওঁলোকে যেনে পৰিৱেশত থাকে তেনে পৰিৱেশ অৰ্থাৎ তেওঁলোকৰ ঘৰত বা সমাজত ঘটা ঘটনাই তেওঁলোকক প্ৰভাৱিত কৰে।

## ২) পৰিৱেশীয় ছপা আখৰ চিনাক্তকৰণ (2 Recognising environmental print)

পৰিৱেশীয় ছপা আখৰ চিনাক্তকৰণ ঃ

- ছাত্ৰ-ছাত্ৰীক 'পঠন'ত কৃতকাৰ্য হোৱা অনুভৱ কৰায়
- অধিক পঠনৰ বাবে তেওঁলোকক আগ্ৰহী কৰায়
- শব্দ, বাক্য আদি পঢ়াৰ ভেঁটি গঢ়ি তোলে

কিন্তু পৰিৱেশীয় ছপা সামগ্ৰীয়ে ছাত্ৰ-ছাত্ৰীক মুকলিভাৱে দেখুৱা কাৰ্যটোৱে নিজে নিজে ছাত্ৰ-ছাত্ৰীক পঠন কৰাৰ ফালে লৈ নাযায়। ছাত্ৰ-ছাত্ৰীয়ে আৰম্ভণিতে কোনো এটা বিশেষ পৰিৱেশত আখৰ শিকে কিন্তু পাছলৈ প্ৰসঙ্গ নোহোৱা হেতুকে সেইবোৰ চিনাক্ত কৰিব নোৱাৰা হয়।

## ক্ৰিয়া-কলাপ ২ঃ এটা স্তৰৰ পৰা আন এটা স্তৰলৈ পৰিৱৰ্তন (Activity 2: Making the transition)

চিত্ৰ ৩ ৰ ছবি দুখন চাওক। দুয়োখন ছবিতেই fish শব্দটো আছে। এখনত সন্ধান (clue) দিয়া আছে, আনখনত নাই। আপোনাৰ মতে কোনখন ছবি সৰু ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ সহজ হ'ব বুলি ভাবে আৰু কিয়? আপোনাৰ ধাৰণা আপোনাৰ সহকৰ্মীৰ লগত আলোচনা কৰক।




চিত্ৰ ৩ - প্ৰসঙ্গৰ গুৰুত্ব

### চিন্তন (Pause for thought)

যদি আপুনি শ্ৰেণীকোঠাৰ বেৰত শব্দ কিছুমান আঁকি দিয়ে, তেনেহ'লে সেই শব্দবোৰ অকলশৰীয়াকৈ আঁকি দিব নে? কোনোধৰণৰ সন্ধান (clue) ও লগত দিব?

## ৩) শ্ৰেণীকোঠাত পৰিৱেশীয় ছপা আখৰৰ পৰিচয় কৰা (3 Introducing environmental print into the classroom)

কেনেধৰণৰ ছপা সমল আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠালৈ আনিব পাৰে? ঘটনা অধ্যয়ন ১, য'ত এজন নতুন শিক্ষকে তেখেতৰ ছাত্ৰ-ছাত্ৰীৰ লগত এটা ছপা আখৰেৰে ভৰা পৰিৱেশ ৰচনা কৰাৰ বাবে পদক্ষেপ লয়।

### ঘটনা অধ্যয়ন ১ঃ পল্লৱী বৰাই শ্ৰেণীকোঠাৰ পৰিৱেশ উন্নত কৰে (Case Study 1: Pallabi Bora develops the classroom environment)

যেতিয়া পল্লৱী বৰাই প্ৰথমে প্ৰাথমিক স্কুলৰ শিক্ষয়িত্ৰী হৈছিল, তেতিয়া তেওঁক প্ৰথম শ্ৰেণীটো ল'বলৈ দিয়া হৈছিল। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়েই আছিল প্ৰথম প্ৰজন্মৰ শিকাৰু।

মই বুজি পাইছিলোঁ যে ছাত্ৰ-ছাত্ৰীৰ সাক্ষৰতাৰ বিকাশ সাধন কৰাত মোৰ সম্পূৰ্ণ দায়িত্ব আছে। শিক্ষক প্ৰশিক্ষণলৈ অহা বাবে জানিছিলোঁ যে শিক্ষণ-শিকন সামগ্ৰী কিনিবলৈ প্ৰতিজন শিক্ষকক ৫০০ টকা দিয়া হৈছিল। মই বেলেগ বেলেগ ৰঙীন কাগজ, মাৰ্কাৰ পেন, টোকা বহী, আঠা, কেঁচি, চাৰ্ট আৰু নেচ'নেল বুক ট্ৰাষ্টৰ উন্নতমানৰ কাহিনীৰ কিতাপ কিনিছিলোঁ। এই সামগ্ৰীবোৰৰ মান উন্নত অথচ কম খৰছৰ আছিল।

তাৰপাছত মই মোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমল ছাত্ৰ-ছাত্ৰীৰ পৰা সহায় বিচাৰিলোঁ। মই তেওঁলোকক হাতত পৰা যিকোনো ছপা সামগ্ৰী আনিবলৈ কৈছিলোঁ। মই তেওঁলোকে অনা সামগ্ৰী দেখি আচৰিত হৈছিলোঁ — সেইবোৰ আছিল কথাছবিৰ পোষ্টাৰ, বিজ্ঞাপন, আলোচনী, বাতৰি কাকত, খাদ্যৰ পেকেট, শুভেচ্ছা পত্ৰ, ৰাজনৈতিক প্ৰচাৰ পত্ৰিকা, ম'বাইল ফোনৰ নিৰ্দেশনাৰ কিতাপ, কম্পিউটাৰৰ নিৰ্দেশনাৰ কিতাপ আৰু স্বাস্থ্য সম্পৰ্কীয় কিছুমান জাননী পত্ৰ। ছাত্ৰ-ছাত্ৰীয়ে সংগ্ৰহ কৰা ছপা সামগ্ৰীৰ পৰা তেওঁলোকৰ কেনে বস্তুৰ প্ৰতি আগ্ৰহ , কেনেধৰণৰ কথা পঢ়াৰ প্ৰতি আগ্ৰহ আৰু কেনে কথাৰ প্ৰতি তেওঁলোকৰ উৎসুকতা সেইটো জানিব পৰা গৈছিল। (চিত্ৰ ৪

ৰ উদাহৰণত দেখুওৱাৰ দৰে)




চিত্ৰ ৪ - ছপা সামগ্ৰীৰ উদাহৰণ

এইবোৰ সামগ্ৰীৰ সহায়তেই আমি শ্ৰেণীকোঠাতো এটা ছপা সামগ্ৰীৰ পৰিৱেশ সৃষ্টি কৰিবলৈ আৰম্ভ কৰিছিলোঁ।

ছাত্ৰ-ছাত্ৰীয়ে কেঁচিৰে তেওঁলোকে সংগ্ৰহ কৰা সামগ্ৰীসমূহৰ পৰা আখৰ আৰু শব্দবোৰ কাটি উলিয়াইছিল। যেতিয়া মোৰ সহায়ত তেওঁলোকে শব্দ আৰু সৰু সৰু বাক্য অসমীয়াত লিখিছিল, তেতিয়া মই কাষত ইংৰাজীত একে শব্দ বাক্য অসমীয়াত লিখিছিলোঁ। আমি একে শব্দবোৰ বিভিন্ন ভাষাত আৰু বিভিন্ন লিপিত তুলনা কৰিছিলোঁ।

| | | |
|---|---|---|
| house | ghar | ঘৰ |
| teeth | dant | দাঁত |
| father | deuta | দেউতা |
| mother | maa | মা |

এই ত্ৰি য়া-কলাপটোৰে ছাত্ৰ-ছাত্ৰীৰ চকু হাতৰ সমন্বয় সাধন আৰু সূক্ষ্মপেশী বিকাশত সহায় কৰিছিল। আমি ইংৰাজী আৰু অসমীয়াত কাম কৰিছিলোঁ লগতে ছবিও দিছিলোঁ যাতে শব্দটোৰ অৰ্থ বুজি  পোৱা যায়।

এজন নতুন শিক্ষক হিচাপে এই সকলোবোৰ মোৰ বাবে উৎসাহদায়ক আছিল। মানুহৰ, ঠাইৰ আৰু বস্তুৰ বাবে শব্দবোৰ একো একোটা চিহ্ন বুলি মোৰ ছাত্ৰ-ছাত্ৰীসকলে শিকিছিল। একোজন দ্বিভাষী ছাত্ৰ হিচাপে তেওঁলোকৰ শব্দভাণ্ডাৰ বৃদ্ধি পাইছিল আৰু আত্মবি ⁄ াস বৃদ্ধি হৈছিল। ময়ো শ্ৰেণীকোঠাত ইংৰাজী প্ৰয়োগ কৰাত যথেষ্ট আত্মবি ⁄ াসী হৈছিলোঁ।

## ৪) শিক্ষকে পৰিৱেশীয় ছপা সামগ্ৰীৰ বিষয়ে কথা পাতে (4 Teachers talk about environmental print)

আমি চৰকাৰী প্ৰাথমিক শিক্ষাৰ ৬ জন শিক্ষকক তেওঁলোকে শ্ৰেণীকোঠাত কিদৰে ছপা সামগ্ৰী প্ৰয়োগ কৰে সেই সম্পৰ্কে সুধিছিলো। তলত তেওঁলোকে কোৱা কথাখিনি দিয়া হ'ল —

- মোৰ ছাত্ৰ-ছাত্ৰীয়ে এখন চাৰ্টত নিজে নিজে তেওঁলোকৰ উপস্থিতিৰ দাগ দি যায়,  যাতে তেওঁলোকে তেওঁলোকৰ নামটো ইংৰাজীত পঢ়িব পাৰে আৰু উপস্থিতিৰ দাগ দিব পাৰে। এইদৰে তেওঁলোকে ইংৰাজীত লিখা নিজৰ নামটো চিনাক্ত কৰিব পাৰে আৰু ইংৰাজীত নামটো চাৰ্টত স্বাক্ষৰ কৰিব পাৰে। ভাষা শিকনৰ লগে লগে এই কামটোৱে ছাত্ৰ-ছাত্ৰীক শ্ৰেণীত অনুপস্থিত থকাৰ পৰা বিৰত ৰাখে কাৰণ, তেওঁলোকে তেওঁলোকৰ উপস্থিতিত নিজে দাগ দিয়া কাৰ্যটোৰে তেওঁলোকক অভিৰোচিত কৰে।
- পাঠ্যত্ৰ মৰ বিভিন্ন পাঠৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে কোৱা কথাবোৰ মই ডাঙৰ এখন কাগজত লিখোঁ। মই তেওঁলোকে কোৱা শব্দবোৰ হুবহু লিখোঁ। তেওঁলোকে এই শব্দবোৰ তেওঁলোকৰ শব্দ বুলি বুজাবলৈ শব্দবোৰৰ কাষত তেওঁলোকৰ নাম ইংৰাজীতে লিখে। এই কাৰ্যৰ জড়িয়তে তেওঁলোকে কি জানিলে বা বুজিলে মই জনাত সহায়ক হয়। মই শ্ৰেণীকোঠাৰ বেৰত সকলোৰে একেলগে

পঢ়িব পৰাকৈ এই লিখনিবোৰ আঁৰি দিওঁ। মই দেখো যে, ছাত্ৰ-ছাত্ৰীয়ে নিজে লিখা শব্দবোৰ প্ৰত্যেকেই পঢ়িছে আৰু অভিভাৱক সকলো স্কুললৈ যেতিয়া আহে তেতিয়া তেখেতসকলে এইবোৰ চায়।

- মই স্কুলত থকা চকী, মেজ, পেঞ্চিল (chair, table, pencils) আনকি শ্ৰেণীকোঠাৰ বাহিৰত থকা বস্তুবোৰ যেনে - গেইট, ৰাস্তা, দৰ্জা, প্ৰৱেশদ্বাৰ, অফিচ (door, gate, road, entrance, office) আদিত অসমীয়া আৰু ইংৰাজীত লেবেল লগাই দিওঁ। আনকি বিদ্যালয়ৰ শৌচাগাৰতো পানী ঢলা আৰু পাছত হাত ধোৱা কাৰ্য ছবি আৰু চিহ্নৰে দেখুৱাই বেৰত আঁৰি দিছো যাতে তেওঁলোকৰ শৌচাগাৰ ব্যৱহাৰ কৰাৰ পাছত কাৰ্যখিনি কৰিবলৈ মনত পৰে। তেতিয়াৰ পৰা, মই তেওঁলোকৰ লগত বেমাৰ, বীজাণু, বেমাৰৰ মূল কাৰণ, ৰোগ সঞ্চাৰণৰ (I was able to talk to students about how to fight germs, infections and disease) কাৰণবোৰ আৰু কেনেকৈ এইবোৰৰ পৰা নিজকে ৰক্ষা কৰিব লাগে সেই বিষয়ে কথা পাতিব পৰা হ'লো।
- আমি এনে ভাষা শিকনৰ কাম-কাজ স্কুলতেই সীমাবদ্ধ নাৰাখি, ঘৰতো কৰিব পৰাকৈ কিছু ভাষা শিকনৰ কাম কাজ দিওঁ। ঘৰত ব্যৱহাৰ কৰা বস্তুবোৰতো লেবেল লগাই আৰু ঘৰত কেনেধৰণৰ কাম-কাজ বা কথা বতৰা চলে সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ লগত কথা পাতোঁ। যেনে - শব্দৰ ক্ষেত্ৰত 'kitchen', 'pot', 'shrine', 'window', 'chair' আৰু বাক্যৰ ক্ষেত্ৰত 'Take off your shoes' আৰু 'wash your hands before eating' আমি ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতেই লেবেল বনাই দিওঁ। ছাত্ৰ-ছাত্ৰীয়ে লেবেলসমূহ ঘৰলৈ লৈ যায়। এগৰাকী মাতৃ আমাৰ স্কুললৈ আহি মোক কয় যে তেখেতে এটা Garbage bin (জাৱৰ পেলোৱা পাত্ৰ) আনিছে কিয়নো তেওঁৰ জীয়েকে স্কুলৰ পৰা Dustbin নামৰ লেবেলখন আৰু লগতে "Throw your garbage in a bin" বুলি লিখা কাগজ এখন ঘৰলৈ নিছে। আমি জানিছিলোঁ যে এনেধৰণৰ কাৰ্যৰ পৰা ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক সকলেও পঢ়াৰ বাবে উৎসাহিত হৈছিল।
- মই এখন সৰু গাঁৱৰ চৰকাৰী বিদ্যালয়ত শিকাওঁ। মই ছাত্ৰ-ছাত্ৰীক ঘৰত পঢ়িব পৰাকৈ (সকলোৰে) সহজ কথাৰে শুভেচ্ছা পত্ৰ তৈয়াৰ কৰিবলৈ উৎসাহিত কৰিছিলোঁ। অভিভাৱক সকলে ছাত্ৰ-ছাত্ৰীৰ এই কামটো খুউব প্ৰশংসা কৰে আৰু তেওঁলোকে গৌৰৱ অনুভৱ কৰে যে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে ইংৰাজী পঢ়িবলৈ আৰু লিখিবলৈ শিকিছে।
- শ্ৰেণীকোঠাৰ কাম কাজ আৰু দৈনিক ৰুটিনখনৰ বাবে মই কিছুমান ছপা সামগ্ৰী সাজি লৈছিলোঁ। উদাহৰণস্বৰূপে - "এখন প্ৰতিদিন সময়ৰ সূচনা"। মই ছাত্ৰ-ছাত্ৰীক এইখন সদায় চাবলৈ দিওঁ আৰু মন কৰিবলৈ দিওঁ। এই কাৰ্যৰ দ্বাৰা তেওঁলোকে নিজে নিজে পঢ়াৰ বাবে কাৰ্য কৰিব পাৰে। ব'ৰ্ডত মই সপ্তাহৰ দিনটো আৰু মাহটোৰ নাম, লগতে স্কুললৈ অহা অভ্যাগত সকলৰ নামো, আচৰণৰ নিয়ম আৰু ৰাতিপুৱাৰ খবৰ লিখি দিওঁ। ছাত্ৰ-ছাত্ৰীক এইখিনি সদায় পঢ়িবলৈ আৰু এই সম্পৰ্কে কথা পাতিবলৈ উৎসাহ যোগোৱা এটা গুৰুত্বপূৰ্ণ কথা।
- মই এখন গাঁৱৰ স্কুলত শিক্ষকতা কৰোঁ আৰু তাত মোৰ শ্ৰেণীকোঠাতো যথেষ্ট সৰু। এখন বেৰত ব্লেকবৰ্ড আৰু আনখন বেৰত দুৱাৰ আৰু খিৰিকী আছিল। ব'ৰ্ড আৰু টেবুলখনে শ্ৰেণীকোঠাৰ যথেষ্ট ঠাই আগুৰি আছিল। সেইবাবে মই ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীকোঠাৰ বাহিৰৰ বেৰত কাম কৰিবলৈ দিছিলোঁ। কাপোৰ, ৰছী, ক্লিপ, কাগজৰ বাবে টেপ আদিৰে ছাত্ৰ-ছাত্ৰীয়ে কৰা কামবোৰ ভিতৰৰ বেৰত আঁৰি দিছিলোঁ। এই সামগ্ৰীবোৰ শ্ৰেণীকোঠাৰ ইপাৰ সিপাৰলৈ কাপোৰ মেলা তাঁৰৰ দৰে হৈছিল। শ্ৰেণীকোঠাতো বিভিন্ন ছবি, লিখন আদিৰে সজোৱা হৈছিল যিয়ে শ্ৰেণীকোঠাতো আকৰ্ষণীয় কৰাৰ লগতে শ্ৰেণীকোঠাটোৰে আদৰণি জনোৱা যেন লাগিছিল।
- মই এটা বহুশ্ৰেণী আৰু বহুস্তৰীয় শ্ৰেণীত শিকাওঁ, প্ৰতিমাহে এবাৰকৈ আমাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এটা ডাঙৰ "অনুবাদৰ কৰ্মশালা" হৈছিল। ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণ ছপা সামগ্ৰী বিশেষকৈ বিয়াৰ নিমন্ত্ৰণী পত্ৰ ঘৰৰ পৰা লৈ আহিছিল। মোৰ সহায়ত তেওঁলোকে দলত চিঠিৰ কথাবোৰ ইংৰাজীলৈ অনুবাদ কৰে। মই এইবোৰ ঘৰলৈ নি ওচৰ চুবুৰীয়াৰ সহায়ত সম্পাদনা কৰোঁ পাছত মই সম্পাদনা কৰা অনুবাদ লিখন আৰু মূল নিমন্ত্ৰণী পত্ৰবোৰ ব'ৰ্ডত আঁৰি দিওঁ যাতে সৰু সৰু ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব পাৰে।

## **চিন্তন** (Pause for thought)

- প্ৰতিটো উদাহৰণত পৰিৱেশীয় ছপা আখৰৰ ভিত্তিত থকা শিক্ষণ-শিকন সামগ্ৰী চিনাক্ত কৰক।
- ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য আৰু শৈক্ষিক দিশৰ বিকাশৰ ক্ষেত্ৰত এই ত্ৰি য়া-কলাপৰ আন কি সুবিধা আছে?
- আপুনি এই শিক্ষকসকলৰ দৰে আন কিবা মিল থকা কাম কৰেনে?

**ভি.ডি.অ’ ঃ সকলোকে জড়িতকৰণ (Video: Involving all)**

## ৫) শ্ৰেণীকোঠাত পৰিৱেশীয় ছপা সামগ্ৰী প্ৰয়োগ কৰিবৰ কাৰণে পৰিকল্পনা (5 Planning to use environmental print in your classroom)

### ত্ৰি য়া-কলাপ ৩ ঃ আপোনাৰ শ্ৰেণীকোঠাটো চাৰিওফালে ভালদৰে চাওক – এটা পৰিকল্পিত ত্ৰি য়া-কলাপ (Activity 3: Look around your classroom – a planning activity)

আপোনাৰ শ্ৰেণীকোঠাটো চাৰিওফালে ভালদৰে চাওক। শ্ৰেণীকোঠাটোৰ যদি এটা বা দুটা সামগ্ৰী সাল-সলনি কৰি পৰিৱেশীয় ছপা সামগ্ৰী প্ৰবৰ্তন কৰিব বিচাৰে তেনেহ’লে কেনে পৰিৱৰ্তন হ’ব? এনে পৰিৱৰ্তনে আপোনাৰ শিক্ষণ-শিকনত কিবা উন্নতি সাধন কৰিব বুলি ভাবেনে?

এনে পৰিৱৰ্তনৰ বাবে আপুনি ল’ব পৰা কিবা ব্যৱহাৰিক পদক্ষেপ আছেনে?

সহজ-সৰল উপায় ভাবক। যেনে - প্ৰদৰ্শন কৰা ব’ৰ্ড ব্যৱহাৰ, তাত সহজে ব্যৱহাৰ কৰিব পৰা সামগ্ৰী যেনে - অপ্ৰয়োজনীয় কাৰ্টুন, মৰাপাটৰ মোনা আৰু ব্যৱহৃত আচ্ছাদন সামগ্ৰী।

সকলোকে জড়িতকৰণ (Involving all) ত সকলোকে একেলগে গোট খুওৱা কাৰ্যৰ পৰা সমন্বয়ৰ মূল্যবোধ আহৰণ কৰিবলৈ শিকাৰ বাবে সমল ২ চাওক।

### ত্ৰি য়া-কলাপ ৪ ঃ শ্ৰেণীকোঠাৰ লেবেল (Activity 4: Classroom labels)

যদি এটা ডাঙৰ শ্ৰেণীকোঠা হয়, আপুনি এই ত্ৰি য়া-কলাপটো বেলেগ বেলেগ দলত প্ৰতিদিনে কৰিবলৈ দিব পাৰে।

শ্ৰেণীৰ ডাঙৰ ছাত্ৰ-ছাত্ৰী যিবিলাকৰ ইংৰাজী সম্পৰ্কে কিছু অভিজ্ঞতা আছে, এই ত্ৰি য়া-কলাপটো উপযোগী কৰি লৈ তেওঁলোকক নিজাববীয়াকৈ লিখিবলৈ দিয়ক কিয়নো কাৰ্ডসমূহ মাত্ৰ ইংৰাজীতে লিখা আছিল।

সমলটোৰ বাবে কাৰ্ড, কলম, টেপ আদিৰ প্ৰয়োজন হ’ব।

- দুটা ভাষাত কিছুমান কাৰ্ড প্ৰস্তুত কৰিব (অসমীয়া আৰু ইংৰাজী, ঘৰুৱা ভাষা আৰু ইংৰাজী) কিছুমান কাৰ্ড খালী ৰাখক যাতে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভাব তাত প্ৰকাশ কৰিব পাৰে।
- ছাত্ৰ-ছাত্ৰীক কওক আপোনাক উপযুক্ত শব্দৰে উপযুক্ত সামগ্ৰীত লেবেল লগাবলৈ তেওঁলোকৰ পৰা সহায়ৰ প্ৰয়োজন।
- ছাত্ৰ-ছাত্ৰীসকলক কওক যে আপুনি তেওঁলোকৰ লগত একেলগে ইংৰাজী শিকিব আৰু অনুশীলন কৰিব।
- আপুনি প্ৰস্তুত কৰা (ইংৰাজী আৰু আন ভাষা) ৰ লেবেলসমূহ ছাত্ৰ-ছাত্ৰীক দেখুৱাওক, উদাহৰণস্বৰূপে - ‘desk’, ‘window’, ‘chair’ । লেবেলৰ শব্দবোৰ ইংৰাজী, অসমীয়া আৰু ঘৰুৱা ভাষাত পঢ়ি শুনাওক আৰু ইংৰাজী শব্দবোৰ একেলগে অভ্যাস কৰক।
- ছাত্ৰ-ছাত্ৰীসকলক সোধক লেবেলবোৰ ক’ত লগাব লাগিব, উদাহৰণস্বৰূপে- কিতাপৰ চেলফ্‌ত, দুৱাৰত, টেবুলত আৰু ডেস্কত।
- ছাত্ৰ-ছাত্ৰীসকলক সোধক যে শ্ৰেণীকোঠাৰ ক’ত লেবেল লগাবলৈ থাকিল বা বিদ্যালয়খন চাবলৈ অহা মানুহবোৰৰ সহায় হোৱাকৈ কি চিহ্ন ক’ত প্ৰয়োগ কৰিব?
- যিহেতু আপুনি লেবেল বা চিহ্নবোৰ লিখিছে, আপুনি আখৰৰ নাম আৰু শব্দবোৰ কওক।
- শব্দবোৰ দুয়োটা ভাষাতেই সকলোৱে মিলি অভ্যাস কৰক।

চিত্ৰ ৫ ত শ্ৰেণীকোঠাৰ লেবেলৰ নমুনা দেখুওৱা হৈছে।




চিত্ৰ ৫ - শ্ৰেণীকোঠাৰ লেবেল

যেতিয়া আপুনি শ্ৰেণীকোঠাৰ বস্তুবোৰ লেবেল কৰিব, সেই শব্দবোৰেই গোটেই দিনটোৰ শিকনত প্ৰসংগত্ৰ মে ক'ব। ছাত্ৰ-ছাত্ৰীসকলক আপুনি প্ৰয়োগ কৰা শব্দবোৰ বিচাৰি চিনাক্ত কৰিবলৈ দিব। ছাত্ৰ-ছাত্ৰীসকলে এই শব্দবোৰ আপোনাৰ লগত আৰু প্ৰত্যেকৰে লগত কথোপকথন কৰোঁতে প্ৰয়োগ কৰিব। উদাহৰণস্বৰূপে-

- 'Shusheela, please bring the books.' 'সুশীলা, অনুগ্ৰহ কৰি কিতাপবোৰ আনা'
- 'Yes, I will bring the books.' 'হয়, মই কিতাপবোৰ আনিম'
- 'Thank you. Mohan, please go and open the door.' 'ধন্যবাদ। মোহন, অনুগ্ৰহ কৰি যোৱা আৰু দুৱাৰখন খুলি দিয়া'
- 'Yes, I will open the door.' 'হয়, মই দুৱাৰখন খুলি দিম'

শ্ৰেণীকোঠাৰ বস্তুবোৰত লেবেল লগোৱা কাৰ্যই ছাত্ৰ-ছাত্ৰীক ইংৰাজী পঠন, কথন আৰু শ্ৰৱণৰ উন্নতি সাধনত সহায় কৰে। আপুনি গঠনমূলক মূল্যায়ন কৰোঁতে মৌখিক প্ৰ.ন আৰু সঁহাৰিৰ ভিত্তিতেই কৰিব আৰু এই মূল্যায়নে ছাত্ৰ-ছাত্ৰীৰ কোনটো ক্ষেত্ৰত আৰু বেছি অনুশীলনৰ প্ৰয়োজন হ'ব সেইটো চিনাক্ত কৰিব।

## ত্ৰি য়া-কলাপ ৫ ঃ কথোপকথনৰ বাবে শব্দৰ দেৱাল (Activity 5: Interactive word wall)

সমল ১ ত থকা বিভিন্ন শব্দৰ দেৱালৰ বিষয়ে পঢ়ক। এই ছবিবোৰ ভালদৰে চাওক আৰু ভাবক, কোনবোৰ শব্দ আপোনাৰ শ্ৰেণীকোঠাৰ বাবে সম্ভৱ আৰু কাৰ্যকৰী হ'ব।

আপোনাৰ শ্ৰেণীকোঠাত শব্দৰ দেৱাল সাজিবৰ বাবে এটা বিষয় বাছি লওক। আপোনাৰ ধাৰণাৰ বিষয়ে সহকৰ্মী বা প্ৰধান শিক্ষকৰ লগত আলোচনা কৰক।

শ্ৰেণীকোঠাত আঁৰি দিয়া শব্দ আৰু বাক্যবোৰ ছাত্ৰ-ছাত্ৰীয়ে চাব আৰু চুব পৰা হোৱা উচিত। প্ৰতিদিনৰ বাবে দেৱালৰ ত্ৰি য়া-কলাপসমূহ সঘনে ঘটা, চুটি আৰু হাস্যৰস সৃষ্টিকাৰী হোৱা উচিত আৰু ই দিনটোৰ এটা নিৰ্দিষ্ট সময়ৰ বাবে হোৱা অনুচিত। সপ্তাহৰ বাবে দিয়া নতুন শব্দবোৰেৰে ইজনৰ লগত সিজনে আনন্দ মনেৰে সুৰ লগাই গাবলৈ উৎসাহিত কৰক আৰু লগতে আলোচনা কৰিবলৈ দিয়ক যিয়ে ছাত্ৰ-ছাত্ৰীক শব্দবোৰ দেখিবলৈ কেনে আৰু কেনেধৰণে উচ্চাৰিত হয় সেইটোৰে তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰে।

মনত ৰাখিব - অকল শ্ৰেণীকোঠাৰ বেৰত শব্দ লিখিলেই শিক্ষকৰ কাম শেষ নহয়। আপুনি এই সমলটো কেনেকৈ প্ৰয়োগ কৰিব সেই সম্বন্ধে ছাত্ৰ-ছাত্ৰীক সহায় কৰা আৱশ্যক। শব্দৰ দেৱাল ত্ৰি য়া-কলাপটো প্ৰতিদিনৰ শ্ৰেণীৰ এটা দীঘলীয়া কাৰ্যকাল হ'ব নালাগে, এইবোৰ হ'ব পাৰে সপ্তাহটোৰ দিনৰ বিষয়ে পঢ়া আৰু কোৱা, ছাত্ৰ-ছাত্ৰীৰ নাম পঢ়া আৰু সপ্তাহটোৰ বিশেষ শব্দৰ নাম কোৱা আৰু পঢ়া। শ্ৰেণীত পঢ়াবলগীয়া পাঠ পৰিকল্পনাৰ লগত বেৰৰ শব্দ সংযোগ কৰি ছাত্ৰ-ছাত্ৰীক স্বাধীনভাৱে লিখিবলৈ, পঢ়িবলৈ দি শব্দভাণ্ডাৰৰ লগত পৰিচয় হোৱাৰ সুবিধা দিব লাগে। সঘনে বেৰত লিখা শব্দবোৰ শ্ৰেণীত প্ৰয়োগ কৰি থাকিলে ইংৰাজী ব্যৱহাৰত আত্মবি ঃাস বাঢ়িব।

# ৬) সাৰাংশ (6 Summary)

এই গোটটোৱে পৰিৱেশীয় ছপা আখৰত বা সামগ্ৰীত গুৰুত্ব আৰোপ কৰিছে। এই লিখনিবোৰেই আমি দৈনন্দিন জীৱনত প্ৰয়োগ কৰি থাকো। এই লিখনিবোৰ আমি প্ৰত্যেকেই সদায় দেখিবলৈ পাওঁ, এই সম্বন্ধে কথা পাতো, সেইবাবে এই লিখনিবোৰ একো একোটা শক্তিশালী শিক্ষণ-শিকনৰ সমল। এটা ছপা সামগ্ৰীৰে ভৰা শ্ৰেণীকোঠাৰ পৰিৱেশে ছাত্ৰ-ছাত্ৰীক পঢ়াৰ প্ৰতি মনোযোগ আৰু আত্মবিশ্বাস গঢ়ি তুলিবলৈ সক্ষম কৰে। যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰাসঙ্গিক সন্ধান (Contextual clues) (যেনে - ছবি, অৱস্থান, সামগ্ৰী, ৰং আৰু নক্সা) সমূহ পঠনৰ বাবে পৰিৱেশত প্ৰয়োগ কৰিবলৈ শিকে তেওঁলোকে লিখনিৰ অৰ্থ বুজিব পাৰে আৰু প্ৰকৃত পঠনৰ বাবে সহজ গতিৰে অৱস্থান্তৰ কৰে।

কথোপকথনৰ ছপা আখৰ প্ৰদৰ্শন, শিক্ষণ সামগ্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ লিখনিৰ উদাহৰণসমূহে ছাত্ৰ-ছাত্ৰীক শিকনৰ বাবে আগবঢ়াই নিয়াৰ লগতে তেওঁলোকক তেওঁলোকৰ কাৰ্যৰ বাবে গৌৰৱবোধ কৰাত উৎসাহিত কৰে। ছাত্ৰ-ছাত্ৰীৰ নিজে লিখা হাতৰ আখৰৰ প্ৰদৰ্শনে তেওঁলোকক নিজৰ লগতে শিক্ষকৰ সহায় নোহোৱাকৈ আনেও নিজে নিজে পঢ়িব পৰাকৈ ইংৰাজীত পাঠ প্ৰস্তুত কৰাত অভিৰোচিত কৰে। এনেধৰণৰ ছপা সামগ্ৰীয়ে শ্ৰেণীকোঠাৰ সৌন্দৰ্যবৰ্দ্ধন কৰাৰ লগতে আপোনাৰ অনুশীলনৰো প্ৰদৰ্শন কৰে। অভিভাৱকসকল শ্ৰেণীকোঠালৈ অহাৰ লগে লগে এনে লিখনি দেখিলে তেখেতসকলে ততালিকে শ্ৰেণীকোঠাত হৈ থকা শিক্ষণ-শিকন সম্বন্ধে ধাৰণা কৰিব পাৰে।

আমি ভাবোঁ যে, আপোনালোকে এই গোটটোত দিয়া ব্যৱহাৰিক ক্ৰিয়া-কলাপসমূহ আৰু গোটটো পঢ়ি আনন্দ পাইছে, সেইদৰে ইংৰাজী কথোপকথনৰ বাবে, শ্ৰেণীকোঠাটোত ছপা সামগ্ৰীৰ পৰিৱেশ গঢ়ি তোলাৰ বাবে নতুন নতুন ধাৰণাৰ সৃষ্টি কৰাত আৰু ইংৰাজী ব্যৱহাৰত আত্মবিশ্বাস গঢ়ি তুলিছে।

প্ৰাথমিক পৰ্যায়ৰ ইংৰাজী শিক্ষক বিকাশৰ আন আন গোটসমূহ হ'ল ঃ

- চিহ্ন প্ৰস্তুত আৰু প্ৰাৰম্ভিক লিখন *(Mark-making and early writing)*
- লিখনৰ উন্নয়ন আৰু নিৰীক্ষণ *(Developing and monitoring writing*)

# সমলসমূহ (Resources)

## সমল ১ ঃ শব্দ দেৱালৰ বিষয়সমূহ (Resource 1: Word wall topics)

শব্দ সংগ্ৰহ কৰি বেৰত শৃংখলাবদ্ধভাৱে আঁৰিবলৈ শব্দসমূহ যেতিয়া তৈয়াৰ কৰা হয় তাকেই 'শব্দৰ দেৱাল' বোলা হয়। পঠন, লিখন, শব্দভাণ্ডাৰ বৃদ্ধি, বানানৰ নমুনা, ছবি আৰু শব্দৰ সমন্বয় আদিৰ বাবে এই প্ৰদৰ্শিত সামগ্ৰীসমূহ কথোপকথনৰ সমল হিচাপে ব্যৱহাৰ কৰিব পাৰে। শব্দৰ দেৱালক বিভিন্ন প্ৰকাৰে ভাগ কৰিব পাৰি। যেনে - ৰং, নাম, দৈনন্দিন ৰুটিনত প্ৰয়োগ কৰা শব্দ, সহায়ৰ শব্দ, সংখ্যাৰ নাম, পৰিয়ালৰ শব্দ ইত্যাদি।

শব্দৰ দেৱাল হ'ল কম খৰছী ইংৰাজী শিকনৰ এটা সামগ্ৰী যিয়ে শিক্ষকক ছাত্ৰ-ছাত্ৰীৰ যিকোনো বিষয়ত (বিজ্ঞানৰ পৰা কলালৈ) ইংৰাজী শব্দভাণ্ডাৰ বৃদ্ধি কৰাত সহায় কৰে। শব্দ দেৱালৰ কোনো সীমা নাই। আপুনি যিমান ইচ্ছা সিমান তৈয়াৰ কৰিব পাৰে। শ্ৰেণীকোঠাৰ বেৰ অনুসৰি শব্দৰ দেৱাল তৈয়াৰ কৰাটো নিৰ্ভৰ কৰিব। চক ব'ৰ্ড, চাৰ্ট পেপাৰ, কাগজ আৰু ৰছী নাইবা কেৱল শ্ৰেণীকোঠাৰ বেৰৰ ভিতৰফাল বা বাহিৰফাল শব্দবেৰৰ বাবে প্ৰয়োগ কৰিব পাৰে।

চিত্ৰ R ১.১—১.৩ লৈ চাওক আৰু ভাবক ইয়াৰে কোনটো আপোনাৰ শ্ৰেণীকোঠৰ বাবে সম্ভৱ হ'ব পাৰে।




চিত্ৰ R ১.১ চাৰ্ট, ৰছী আৰু পেগ ব্যৱহাৰ কৰিছে




চিত্ৰ R ১.২ ইংৰাজী বৰ্ণৰ শব্দৰ দেৱাল



চিত্ৰ R ১.৩ দেৱালৰ সকলো ঠাই ব্যৱহাৰ কৰিছে

## অতি ঘনাই ব্যৱহৃত শব্দৰ দেৱাল (High-frequency word wall)

প্ৰাথমিক শাখাৰ পাঠত প্ৰধানতঃ অতি ঘনাই ব্যৱহৃত শব্দ প্ৰয়োগ হয়- সেইবোৰ শব্দ সাধাৰণতে কথা বতৰাত বা পাঠত ঘনে ঘনে প্ৰয়োগ হয়। (উদাহৰণ - চিত্ৰ ১.৪) ছাত্ৰ-ছাত্ৰীয়ে সহজে আৰু খৰকৈ ইংৰাজী শব্দ (শব্দ বেৰৰ) চিনাত্ত আৰু পঢ়িব পাৰিলে ইংৰাজী ভাষা শিকন কৌশল আয়ত্ত কৰাত সহজ হয়।




চিত্ৰ R ১.৪ ঘনাই ব্যৱহৃত শব্দ সলনি কৰাৰ বাবে চাৰ্ট

## সাহিত্যৰ শব্দৰ দেৱাল (Literature word wall)

ডাঙৰ ছাত্ৰ-ছাত্ৰীক সাহিত্য শিকনৰ সময়ত শব্দ দেৱালৰ শব্দই সহায় কৰে। শিক্ষকে সাহিত্য পাঠৰ পৰা মূল শব্দবোৰ বাছি যেনে - চৰিত্ৰৰ নামৰ মূল শব্দ আদি এখন কাগজত লিখি শ্ৰেণীকোঠাৰ বেৰৰ সোঁমাজত আঁৰি দিব লাগে। এই লিখনিয়ে ছাত্ৰ-ছাত্ৰীক নতুন শব্দ শিকাত সহায় কৰিব লগতে পাঠৰ মাজলৈ যোৱাত সুবিধা হ'ব। চিত্ৰ ১.৫ - ত দিয়াৰ দৰে ছবিৰে সাহিত্যৰ বেৰখন বৰ্ণনা কৰিব পাৰি।

এই ছবিবোৰৰ লগত মূল বাক্য বা কাহিনীৰ মূল কথা বা কোনো চৰিত্ৰৰ নাম সংযোগ কৰিব পাৰি যিটো সহজে মনত ৰখিব পাৰি বা উল্লেখনীয় হয়। এখন শব্দৰ দেৱাল কোনো নিৰ্দিষ্ট কাহিনীৰ শব্দ উল্লেখ থকাৰ লগতে কাহিনীৰ লেখক, ছবি আঁকোতা ব্যক্তিৰ নাম বা অনুবাদক (আছে যদি), তেখেতসকলৰ নামো দিব পাৰি।




চিত্ৰ R ১.৫ এটা গল্প আৰু তাৰ চৰিত্ৰৰ বিষয়ে শব্দৰ দেৱাল

## বতৰ বা সময়োপযোগী শব্দৰ দেৱাল (Seasonal word wall)

প্ৰাথমিক শ্ৰেণীৰ পাঠৰ গোটবোৰ বছৰৰ ঋতু কেইটাৰ লগত মিলাই কৰা হয়। সেইবাবেই 'বতৰ' শব্দটো শব্দৰ দেৱাল প্ৰস্তুত কৰোঁতে প্ৰয়োগ কৰিব পাৰি (চিত্ৰ R ১.৬)। বতৰ বা সময় সম্বন্ধীয় গুৰুত্বপূৰ্ণ শব্দবোৰ বতৰ বা সময়োপযোগী শব্দৰ দেৱাল প্ৰস্তুত কৰিবৰ বাবে ব্যৱহাৰ কৰিব পাৰি।




চিত্ৰ R ১.৬ ঋতু বিশেষ শব্দৰ দেৱাল

চিনাকি কৰিব খোজা প্ৰতিটো শব্দই কাগজত লিখি শ্ৰেণীকোঠাত লগোৱা উচিত। এইদৰে বতৰ সম্বন্ধীয় শব্দ বা বতৰৰ লগত মিলা শব্দবোৰ গোট খাব। উদাহৰণস্বৰূপে, এখন বেৰত 'These days (in summer) the markets are full of ………..…' শিৰোনামাটোৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে পৰ্যবেক্ষণ কৰা বাকীখিনি বতৰৰ fruit (ফলমূল), seasonal vegetables (শাক-পাচলি) আৰু summer clothing (গ্ৰীষ্ম কালৰ কাপোৰ-কানি) বা অন্যান্য সামগ্ৰী যেনে - cold drinks, juices, ice creams, umbrellas, sun hats, sunglasses, etc আদিৰে পূৰ্ণ কৰিব।

বতৰৰ শেষত, শব্দৰ তালিকাখন শ্ৰেণীকোঠাৰ আন এঠাইলৈ লৈ যাব। বতৰ পৰিৱৰ্তনৰ লগে লগে ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিটো বতৰৰ বস্তুবোৰ মনত পেলাই বতৰৰ লগত মিল থকা শব্দবোৰ আৰু পাৰ্থক্যবোৰৰ বিষয়ে বতৰ অনুযায়ী তুলনা কৰি চাব পাৰিব।

শব্দৰ দেৱাল আন কিছুমান ত্ৰি য়া-কলাপৰ বাবে সমল হিচাপে প্ৰয়োগ কৰিব পাৰে। উদাহৰণস্বৰূপে, শব্দৰ দেৱালৰ শব্দৰে ছাত্ৰ-ছাত্ৰীয়ে নতুন কবিতা বা কাহিনী লিখিব পাৰে। এইদৰে কাম কৰিবলৈ দিলে বিভিন্ন উদ্দেশ্যত শব্দবোৰ প্ৰয়োগ কৰিবলৈ ছাত্ৰ-ছাত্ৰীয়ে সুবিধা পাব।

## **বছৰটো সৰু বা প্ৰাক্-সাক্ষৰ শিকাৰুক লৈ আৰম্ভ কৰক** (Starting the year with young or pre-literate students)

স্কুলৰ আৰম্ভণি আৰু শব্দৰ দেৱালৰ কাম আৰম্ভ কৰিয়েই শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক বুজিবলৈ চেষ্টা কৰক। প্ৰতিদিনে ৫ জন ছাত্ৰ-ছাত্ৰীৰ নাম শব্দৰ দেৱালত সকলোৰে নাম অন্তৰ্ভুক্ত নোহোৱালৈকে লিখক। প্ৰতিদিনেই ৫ টা নাম গুৰুত্ব দি পঢ়ক আৰু ইয়াৰ ধ্বনি আৰু আখৰৰ চানেকিৰ গুৰুত্ব প্ৰদানৰ বাবে কিছুসময় দিয়ক। উদাহৰণস্বৰূপে - যদি 'Pahi' নামটো তাত আছে তেনেহ'লে আপুনি 'pa' ধ্বনিটোৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰিব আৰু তেনে 'pa' ধ্বনিৰ আন শব্দবোৰো দেখুৱাব।

আপুনি শব্দৰ দেৱালত থকা নামবোৰ নতুনকৈ লিখা নামৰ লগত তুলনা কৰি দেখুৱাব পাৰে। উদাহৰণস্বৰূপে- 'Pahi' ৰ 'i' টোৰ ধ্বনি 'Rumi' 'i' টো দৰে একেনে? এইদৰে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ প্ৰথম পাঠ হিচাপে আখৰ, ধ্বনি আৰু বানান সম্বন্ধে জ্ঞান লাভ কৰিব।

প্ৰতি সপ্তাহতে যিকোনো পাঠৰ ৫ টাকৈ শব্দ শব্দৰ দেৱালত লিখিব। আপুনি সোমবাৰে পাঁচোটা নতুন শব্দ আৰম্ভ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰী সোমবোৰে ৰাতিপুৱা আহি পোৱাৰ আগতেই পকেট চাৰ্টত (Pocket chart) নতুনকৈ আৰম্ভ কৰিবলগীয়া শব্দকেইটা থ'ব। ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠালৈ আহি পকেট চাৰ্টৰ নতুন শব্দকেইটা বিচাৰিবলৈ ইচ্ছা কৰিব। তেওঁলোকক শব্দকেইটা নিজে নিজে পকেট চাৰ্টত লগাবলৈ আৰু পঢ়িবলৈ দিব। 'Word wall time' (শব্দ বেৰৰ সময়) ৰ আগতেই কেতিয়াবা ছাত্ৰ-ছাত্ৰীয়ে নিজেই পকেট চাৰ্টত শব্দ পঢ়িব। এনে কাৰ্যই তেওঁলোকক মনোগ্ৰাহী আলোচনা আৰু শিকনৰ প্ৰতি আগবঢ়াই নিব।

## **শব্দ দেৱালত লিখন** (Writing word wall)

প্ৰাক্ পঠন স্তৰৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন প্ৰকাৰৰ শব্দ মনত পেলাই পুনৰ লিখাৰ সময়ত লেখকসকল সচৰাচৰ অসুবিধাত পৰে। আপুনি শব্দৰ চাৰ্ট দেখুৱায় বা লগাই তেওঁলোকক শব্দবোৰ মনত পেলোৱাত সহায় কৰিব পাৰে। শব্দৰ তালিকা বা চাৰ্টখন সাধাৰণ বা বিশেষ ধৰণৰ হিচাপে প্ৰস্তুত কৰিব পাৰে। যেতিয়া শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে তুলনা সম্পৰ্কীয় লিখন শিকি থাকে আপুনি শব্দৰ দেৱালত -

similar, different, same আৰু opposite আদি শব্দ লিখি দিব যাতে ছাত্ৰ-ছাত্ৰীয়ে এই শব্দবোৰ তেওঁলোকৰ লিখনত প্ৰয়োগ কৰিব পাৰে।

## বানানৰ শব্দৰ দেৱাল (Spelling word wall)

বানানৰ শব্দৰ দেৱালখন বৰ্ণৰ ত্ৰ ম অনুসাৰে সজাব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে শব্দটো নিৰ্দিষ্টকৈ দেখুৱাই উচ্চাৰণ কৰিব পাৰে। শ্ৰেণী অনুসৰি শব্দৰ দেৱালত শব্দবোৰ ভৰাব লাগিব যাতে শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে মুখা মুখিহৈ পঢ়া আৰু বানান কৰাৰ প্ৰতি ইচ্ছা প্ৰকাশ কৰে। সাধাৰণ বানান ভুল লিখন, পাঠৰ মুল শব্দ সপ্তাহৰ বানানৰ তালিকাৰ পৰা শব্দ আনকি ছাত্ৰ-ছাত্ৰীৰ নামো বানানৰ শব্দৰ দেৱালত অন্তৰ্ভুক্ত কৰিব। দেৱালখন সদায় 'Work in progress' অৰ্থাৎ 'কামত আগবঢ়া' এই মানসিকতাৰে প্ৰকাশ হোৱা উচিত। শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে বিচৰা ধৰণে শব্দবোৰ শব্দৰ দেৱালৰ বাবে নিৰ্বাচন কৰিব। বানানৰ পৰীক্ষা লোৱাৰ সময়ত আপুনি শব্দৰ দেৱালখন উকা কাগজৰে ঢাকি ৰাখিব।

## পদৰ শব্দৰ দেৱাল (Parts of speech word wall)

মাজে সময়ে আমি সকলোৰে ইংৰাজী বাক্যত খাপ খোৱা ব্যাকৰণ পদ বিচাৰি বিবুধিত পৰো। ছাত্ৰ-ছাত্ৰীক ব্যাকৰণৰ পদ সম্বন্ধীয় কথাৰ ধাৰণা স্পষ্ট কৰিবলৈ এখন 'Parts of speech' (পদৰ) শব্দ দেৱাল তৈয়াৰ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে নতুন শব্দ শিকাৰ লগে লগে তেওঁলোকে শুদ্ধভাৱে ব্যাকৰণৰ পদসমূহ যোগ কৰিব পাৰে। আপুনি যদি ছাত্ৰ-ছাত্ৰীক adjectives (বিশেষণ) প্ৰয়োগ কৰা সম্বন্ধে শিকাবলৈ বিচাৰে তেনেহ'লে আপুনি এখন Amaging adjectives নামেৰে শব্দৰ দেৱাল প্ৰস্তুত কৰিব পাৰে। কবিতা বা কাহিনী পঢ়াৰ সময়ত ছাত্ৰ-ছাত্ৰীক মনোযোগেৰে মনোগ্ৰাহী বিশেষণটোৰ প্ৰতি মনোযোগ দিবলৈ ক'ব আৰু সেই বিশেষণটো সেই বিশেষ বিশেষণৰ শব্দৰ দেৱালত যোগ কৰিব। এনেধৰণে আপুনি verb ৰ বাবেও 'Vivid verbs' নামেৰে শব্দৰ বেৰ প্ৰস্তুত কৰিব পাৰে।

## পাঠ্যপুথিৰ গোট/অধ্যায়ৰ শব্দৰ দেৱাল (Textbook unit/chapter word wall)

শব্দৰ দেৱালখন যিকোনো এটা গোট বা অধ্যায়ৰ বাবে এটা শিকন সামগ্ৰী হিচাপে ধৰিব পাৰে। আপুনি আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যায়টোৰ পৰা মূল শব্দ বাছি লৈ এখন কাগজত লিখক। ছাত্ৰ-ছাত্ৰীক শব্দ পৰিচয় কৰাবৰ বাবে প্ৰতিটো শব্দই আখৰৰ ত্ৰ ম অনুসাৰে শব্দৰ দেৱালত সংযোগ কৰক। অধ্যায় বা গোটটোৰ শেষলৈ শব্দৰ বেৰখনৰ শব্দবোৰো তললৈ আহিব। আপোনাৰ যদি ঠাইৰ অভাৱ, তেনে ক্ষেত্ৰত এনেধৰণৰ শব্দৰ দেৱাল কামত আহিব। তালিকা ***R১.১*** এইধৰণৰ শব্দ দেৱালৰ এটা উদাহৰণ -

***Table R1.1*** *Word wall for 'The Magic Garden' (Marigold Class III textbook).*

| Aa | Bb | Cc | Dd | Ee | Ff | Gg | Hh |
|---|---|---|---|---|---|---|---|
| after<br>again<br>against<br>all | birds<br>bread | cans<br>students | danced<br>dear<br>dig<br>dreaming<br>dress | | fairy<br>flowers | garden<br>gardeners<br>ground | happily<br>help<br>high |
| **Ii** | **Jj** | **Kk** | **Ll** | **Mm** | **Nn** | **Oo** | **Pp** |
| indeed | | | laughing<br>little<br>love | magic<br>morning<br>most | next<br>nothing | | playground |

| Qq | Rr | Ss | Tt | Uu | Vv | Ww | Xx |
|---|---|---|---|---|---|---|---|
| quite | roots<br>roses<br>running | school<br>singing<br>students<br>sunflowers<br>sunny<br>sunshine | talking<br>tall<br>thirsty<br>tiny | | very | wall<br>watering<br>wings | |
| **Yy** | **Zz** | | | | | | |

## সমল ২ ঃ সকলোকে জড়িত কৰা (Resource 2: Involving all)

### সকলোকে জড়িত কৰা মানে কি বুজাইছে? (What does it mean to 'involve all'?)

সমাজ আৰু সংস্কৃতিৰ বিভিন্নতা শ্ৰেণীকোঠালৈ অহা ছাত্ৰ-ছাত্ৰীৰ মাজেৰে প্ৰকাশিত হয়। ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন ভাষী, বিভিন্ন আগ্ৰহ আৰু বিভিন্ন দক্ষতাৰ হয়। ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন সামাজিক আৰু অৰ্থনৈতিক দিশৰ পৰা আহে। আপুনি এই ভিন্নতাবোৰ অগ্ৰাহ্য কৰিব নোৱাৰে। তেওঁলোকে ইজনৰ লগত সিজনে মিলি পৃথিৱীলৈ শিক্ষা পৰিবাহিত কৰিব আৰু ই আমাৰ অভিজ্ঞতাৰ বাহিৰত। সকলো শিশুৰে শিকাৰ অধিকাৰ আছে। তেওঁ যি পৰিস্থিতিৰেই নহওঁক বা তেওঁৰ পৰিচয় বা অৰ্থনৈতিক অৱস্থা যিয়েই নহওঁক, তেওঁলোক ভাৰতীয় বিধি আৰু আৰ্ন্তজাতিক শিশু অধিকাৰ আইনৰ দ্বাৰা স্বীকৃত। ২০১৪ চনত ভাৰতৰ প্ৰধান মন্ত্ৰী মোদীয়ে দেশৰ জনগণক যি বাৰ্তা দিছিল সেই বাৰ্তাত প্ৰতিজন ভাৰতীয় নাগৰিকক তেওঁলোকৰ জাতি, লিংগ বা উপাৰ্জন নিৰ্বিশেষে গুৰুত্ব প্ৰদান কৰা কথা কৈছিল। বিদ্যালয়ৰ আৰু শিক্ষকৰ এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা আছে।

আমাৰ সকলোৰে অন্ধবি ৱাস আৰু আনৰ প্ৰতি কিছু বেলেগ ধাৰণা আছে যদিও আমি সকলোৰে মনৰ ভাৱ আৰু ধাৰণাক গুৰুত্ব দিয়া উচিত। শিক্ষক হিচাপে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ শিকন অভিজ্ঞতাৰ ওপৰত সদৰ্থক বা নএগ্ৰাৰ্থকভাৱে প্ৰভাৱ পেলাব পৰাৰ ক্ষমতা আপোনাৰ আছে।

আপুনি সদায় সচেতন হ'ব যাতে আপোনাৰ অন্ধবি ৱাসে কোনো ছাত্ৰ-ছাত্ৰীৰ ওপৰত বেয়া প্ৰভাৱ পেলাব নোৱাৰে লগতে আপুনি সদায় আপোনাৰ ভাব চিন্তা আৰু যাতে কাৰো প্ৰতি অৰ্থাৎ কোনো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি অসমান বিচাৰ নহয় সেই দিশত নিজকে সক্ষম কৰি ৰাখিব।

### শিকনত সকলোকে জড়িতকৰণৰ তিনিটা মূলনীতি (Three key principles to ensure you involve all in learning)

- **মনোযোগ দিয়া (Noticing)** ঃ ফলপ্ৰসূ শিক্ষকসকল পৰ্যৱেক্ষক, অনুভূতিশীল আৰু সংবেদনশীল। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তনবোৰ লক্ষ্য কৰি থাকে। আপুনি যেতিয়া সতৰ্ক নিৰীক্ষক হয় তেতিয়া এজন ছাত্ৰই কিবা এটা ভাল কৰে, কেতিয়া তেওঁলোকক সহায়ৰ প্ৰয়োজন হয় আৰু তেওঁলোকে কেনেকৈ অন্যৰ লগত সম্পৰ্ক কৰিছে, এই সকলোবোৰ কথা লক্ষ্য কৰিব। আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তনবোৰৰ প্ৰতিও আপুনি অনুভূতিশীল হ'ব পাৰে। তেওঁলোকৰ ঘৰুৱা পৰিৱেশৰ কাৰণে বা অন্য কাৰণতো পৰিৱৰ্তন প্ৰতিফলিত হ'ব পাৰে। সেয়েহে আপুনি সকলো শিশুকে সমভাৱে আনকি যিয়ে নিজকে দুৰ্বল শ্ৰেণীৰ বুলি ভাবে তেনে শিশুকো প্ৰতিদিনে ভালদৰে মনোযোগ দিব লাগিব।
- **আত্মমৰ্যদাক গুৰুত্ব দিয়া (Focus on self-esteem)** ঃ নিজক লৈ সন্তুষ্ট হ'ব পৰা জনেই ভাল নাগৰিক। তেওঁলোকৰ আত্মসন্মানবোধ থাকে, নিজৰ সক্ষমতা আৰু দুৰ্বলতা নিজে জানে, অন্য মানুহৰ লগত (ঘৰুৱা অৱস্থা নিৰ্বিশেষে) ইতিবাচক

সুসম্পৰ্ক গঢ়ি তোলাৰ দক্ষতা থাকে। তেওঁলোকে নিজক আৰু আনকো সন্মান কৰে। সৰু সৰু ছাত্ৰ-ছাত্ৰীৰ আত্মসন্মানবোধ গঢ়ি তোলাত শিক্ষক হিচাপে আপোনাৰ লক্ষণীয় প্ৰভাৱ থাকিব পাৰে। আপোনাৰ এই ক্ষমতাৰ প্ৰতি সাৱধান হওক আৰু ছাত্ৰ-ছাত্ৰীৰ আত্মসন্মানবোধ গঢ়ি তোলাত ইয়াক ব্যৱহাৰ কৰক।

- **নমনীয়তা (Flexibility)** ঃ যদি আপোনাৰ শ্ৰেণীত কিছুমান বিশেষ ছাত্ৰ-ছাত্ৰীৰ বাবে আপোনাৰ পৰিকল্পনাই কাম কৰা নাই, তেনেহ'লে অতি সোনকালে আপোনাৰ পৰিকল্পনা সলনি কৰক নাইবা বন্ধ কৰক। সকলো ছাত্ৰ-ছাত্ৰীকে ফলপ্ৰসূভাৱে জড়িত কৰাবৰ বাবে আপোনাৰ নমনীয়তাই আপোনাক সক্ষম কৰি তুলিব।

## সকলো সময়তে ল'ব পৰা পদ্ধতি বা উপায় (Approaches you can use all the time)

- **আদৰ্শ আচৰণৰ প্ৰকাশ (Modelling good behaviour)** ঃ সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সজ আচৰণ দেখুৱাই আপুনি আদৰ্শ হওক। গোষ্ঠী, ধৰ্ম নাইবা লিংগ নিৰ্বিশেষে আপুনি এই আচৰণ দেখুৱাওক। সকলো ছাত্ৰ-ছাত্ৰীক সন্মান সহকাৰে ব্যৱহাৰ কৰক আৰু আপোনাৰ শিক্ষণ কালত আপুনি যে সকলো ছাত্ৰ-ছাত্ৰীক সমানে মূল্য দিছে সেইটো স্পষ্ট কৰি তোলক। তেওঁলোক সকলোৰে লগত সন্মান সহকাৰে কথা পাতক, তেওঁলোকৰ মতামতক গুৰুত্ব দিয়ক আৰু শ্ৰেণীত সকলোৰে লাভ হোৱাকৈ কোনো কামৰ দায়িত্ব ল'বলৈ তেওঁলোকক উৎসাহিত কৰক।
- **উচ্চ আকাংখা (High expectations)** ঃ দক্ষতা কেতিয়াও স্থিৰ হৈ নাথাকে। সঠিকভাৱে সহায় সমৰ্থন পালে ছাত্ৰ-ছাত্ৰীসকলে শিকিব আৰু আগবাঢ়ি যাব পাৰে। আপুনি শ্ৰেণীত কৰোৱা কামটো যদি কোনো এজন ছাত্ৰ-ছাত্ৰীয়ে বুজিবলৈ টান পাইছে তেন্তে আপুনি নাভাবিব যে তেওঁলোকে কেতিয়াও বুজি নাপাব। শিক্ষক হিচাপে আপোনাৰ দায়িত্ব হ'ব প্ৰতিজন ছাত্ৰই শিকিব পৰাকৈ আপুনি কিমান ভালকৈ সহায় কৰিব পাৰে সেইটো কৰাটোহে। শ্ৰেণীৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰাই যদি আপোনাৰ উচ্চ প্ৰত্যাশা আছে তেন্তে ছাত্ৰ-ছাত্ৰীয়ে ধৰি ল'ব লাগিব যে তেওঁলোকে যদি নেৰানেপেৰাকৈ লাগি থাকিব পাৰে তেন্তে শিকিব পাৰিব। আচৰণৰ ক্ষেত্ৰতো উচ্চ প্ৰত্যাশা থকা উচিত। প্ৰত্যাশা স্পষ্টভাৱে নিশ্চিত কৰক আৰু চাওক প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই যাতে ইজনে সিজনক সন্মান কৰে।
- **আপোনাৰ শিক্ষণ-শিকন প্ৰক্ৰি য়াত বৈচিত্ৰ গঢ়ি তোলক (Build variety into your teaching)** ঃ ছাত্ৰ-ছাত্ৰীয়ে বেলেগ বেলেগ ধৰণে শিকে। কোনোবা এজনে লিখিবলৈ ভাল পায়, অন্য কোনোবাজনে আকৌ নিজৰ চিন্তাবোৰ ছবিৰে প্ৰকাশ কৰি বা কল্পনা কৰি ভাল পায়। কোনোবাজন ছাত্ৰ ভাল শ্ৰোতা আকৌ কোনোবা এজনে নিজৰ ভাব-ধাৰণাৰ বিষয়ে অইনৰ লগত আলোচনা কৰিহে ভালকৈ শিকে। সকলো সময়তে সকলো ছাত্ৰ-ছাত্ৰীকে সমানে উপযোগী কৰি তুলিব নোৱাৰে, কিন্তু আপুনি শ্ৰেণীত বিভিন্ন পদ্ধতিৰে শিকাব পাৰে যাতে সেই শিকন ক্ৰি য়া-কলাপৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে এটা ভাল পোৱা পদ্ধতি গ্ৰহণ কৰিব পাৰে।
- **শিক্ষণৰ লগত দৈনন্দিন জীৱনৰ সংযোগ ঘটোৱা (Relate the learning to everyday life)** ঃ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত আপুনি শিকাবলৈ বিচৰা কথাবোৰৰ লগত দৈনন্দিন জীৱনৰ কোনো সংগতি বিচাৰি নাপায়। এইটো কৰিবৰ বাবে যেতিয়াই সম্ভৱ হয়, আপুনি পাঠৰ বিষয়বস্তুৰ লগত তেওঁলোকৰ পৰিৱেশ বা ঘৰুৱা জীৱনৰ বিষয়ে মিলাই কওক যাতে তেওঁলোকৰ অভিজ্ঞতা আপুনি উদাহৰণ হিচাপে দিব পাৰে।
- **ভাষাৰ ব্যৱহাৰ (Use of language)** ঃ আপুনি ব্যৱহাৰ কৰা ভাষা সম্পৰ্কে সাৱধানেৰে ভাবক। সদায় ইতিবাচক আৰু প্ৰশংসাসূচক ভাষাহে ব্যৱহাৰ কৰিব। ছাত্ৰ-ছাত্ৰীক গালি নাপাৰিব। তেওঁলোকৰ আচৰণৰ ওপৰতহে মন্তব্য দিব তেওঁলোকৰ ওপৰত নহয়। তুমি আজি মোক বিৰক্ত কৰিছা বুলি কোৱা কথাষাৰ খুউব ব্যক্তি গত ভাবৰ হৈ পৰে। তাতকৈ আপুনি - আজি তোমাৰ ব্যৱহাৰত মই আমনি পাইছোঁ। তুমি মনোযোগ দিবলৈ অসুবিধা পোৱাৰ কাৰণ কি?—এনেধৰণেৰে ক'ব পাৰে। কোনটো বেছি সহায়ক হ'ব চাই লওক।
- **বদ্ধমূল ধাৰণাৰ প্ৰতি প্ৰত্যাহ্বান (Challenge stereotypes)** ঃ বিচাৰহীনভাৱে নাইবা পূৰ্বৰ বদ্ধমূল ধাৰণা বাদ দি ছোৱালীৰ বাবে সমল আৰু ভূমিকা বিচাৰি উলিয়াওক। নাইবা আদৰ্শ মহিলা স্কুললৈ নিমন্ত্ৰণ কৰি আনক। যেনে, ধৰক বিজ্ঞানী মহিলা। আপোনাৰ নিজৰ মনত থকা লিংগভিত্তিক বদ্ধমূল ধাৰণাৰ প্ৰতি সজাগ হওক। আপুনি জানিব পাৰে যে ছোৱালীয়েও

খেলে আৰু ল'ৰায়ো প্ৰতিপালন কৰে। কিন্তু বাস্তৱক্ষেত্ৰত আমি সমাজত কৈ থকাৰ বাবেই হওক, আমি এই কথাবোৰ বেলেগকৈহে প্ৰকাশ কৰোঁ বা কওঁ।

- **এটা সমাদৃত নিৰাপদ শিকন পৰিৱেশ গঢ়ি তোলক (Create a safe, welcoming learning environment)** ঃ স্কুলত সকলো ছাত্ৰ-ছাত্ৰীয়ে এটা নিৰাপদ আৰু ভাল পৰিৱেশ বিচাৰে। আপুনি এনেকুৱা এটা পদবী বা স্থানত আছে য'ৰ পৰা আপুনি প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে বন্ধুত্বপূৰ্ণভাৱে আৰু বুজা পৰা তথা সন্মান সহকাৰে মিলিজুলি থকাৰ বাবে উৎসাহিত কৰিব পাৰে আৰু তেওঁলোকক এইবোৰ অনুভৱ কৰাব পাৰে। বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ বাবে শ্ৰেণীকোঠা আৰু বিদ্যালয়খন যে একে তাক কেনেকৈ ভবাই তুলিব পাৰে চিন্তা কৰক। সিহঁত ক'ত বহিব সোধা উচিতনে ভাবক, আৰু দৃষ্টিশক্তিহীন বা শ্ৰৱণ শক্তিহীন বা শাৰীৰিকভাৱে প্ৰত্যাহ্বান থকা ছাত্ৰ-ছাত্ৰীৰ বাবেও ইয়াক নিশ্চিত কৰক যে তেওঁলোকে পাঠ গ্ৰহণৰ বাবে শ্ৰেণীৰ য'তেই ইচ্ছা ত'তেই বহিব পাৰে। লাজকুৰীয়া বা সহজে আৱেগিক হোৱা ছাত্ৰ-ছাত্ৰীক মন কৰি আপুনি সহজতে বহুৱাব পৰা ঠাইত বহুৱাই দিয়ক।

## বিশেষ শিক্ষণ পদ্ধতি (Specific teaching approaches)

সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিব পৰাকৈ বহুতো বিশেষ শিক্ষণৰ পদ্ধতি আছে। সেইবোৰ আন মূল সমলত বিশদভাৱে বৰ্ণনা কৰা হৈছে। ইয়াত এটা চমু অৱলোকণহে কৰা হৈছে।

- **প্ৰ.ণ সোধা (Questioning)** ঃ আপুনি যদি ছাত্ৰ-ছাত্ৰীক হাত ওপৰলৈ দাঙিবলৈ কয় তেন্তে একে কেইজনেহে উত্তৰ দিয়াৰ প্ৰবনতা দেখা যায়। প্ৰ.ণৰ উত্তৰ দিয়া আৰু উত্তৰৰ বাবে চিন্তা কৰা কাৰ্যত বেছি ছাত্ৰ-ছাত্ৰীক জড়িত কৰাবৰ বাবে অন্য উপায়ো আছে। আপুনি পোনপটীয়াকৈ একোজন ছাত্ৰ-ছাত্ৰীক প্ৰ.ণ সুধিব পাৰে। আপুনি ঘোষণা কৰক যে কোনে উত্তৰ দিব আপুনি সিদ্ধান্ত ল'ব আৰু তেতিয়া পাছৰফালে থকা, কাষত থকা আনকি সন্মুখত থকা সকলকো সোধক। ছাত্ৰ-ছাত্ৰীসকলক ভবাৰ সময় (Thinking time) দিব আৰু বিশেষ একোজন ছাত্ৰ-ছাত্ৰীক নিমন্ত্ৰণ দিয়ক। যুৰীয়া কাৰ্য বা দলগত কাৰ্যৰ জৰিয়তে তেওঁলোকৰ আত্মপ্ৰত্যয় বঢ়াওক যাতে শ্ৰেণীৰ আলোচনাত প্ৰত্যেকেই অংশ গ্ৰহণ কৰিব পাৰে।
- **মান নিৰূপণ (Assessment)** ঃ গঠনাত্মক মান নিৰূপণৰ বাবে কিছু কৌশল নিৰ্ণয় কৰক যাতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক ভালকৈ জনাত আপোনাৰ সহায় হয়। সুপ্ত প্ৰতিভা বিকশাই তুলিবৰ বাবে আপুনি সৃষ্টিশীল হোৱা প্ৰয়োজন। গঠনাত্মক মূল্যায়নে আপোনাক সঠিক তথ্য দিব। নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ দক্ষতাৰ প্ৰতি সাধাৰণ দৃষ্টিভংগীৰে সহজতে কৰা মান নিৰূপণতকৈ গঠনাত্মক মান নিৰূপণ ভাল। তেতিয়া আপুনি নিজেও এটা ভাল স্থানত থাকিব আৰু তেওঁলোকৰ ব্যক্তিগত প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত সহাঁৰি দিব পাৰিব।
- **দলগত কাৰ্য আৰু যুৰীয়া কাৰ্য (Groupwork and pair work)** ঃ শ্ৰেণীটোক কেনেকৈ দলত ভাগ কৰিব নাইবা কেনেকৈ যুটীয়াভাৱে ভগাব ভাবক। সকলোকে সামৰি লোৱাকৈ লক্ষ্য স্থিৰ কৰক আৰু প্ৰত্যেকেই প্ৰত্যেককে মূল্য দিবৰ বাবে ছাত্ৰ-ছাত্ৰীক কেনেকৈ উৎসাহিত কৰিব ভাবি লওক। প্ৰত্যেকেই প্ৰত্যেকৰ পৰা শিকিব পৰাৰ সুযোগ পোৱাতো নিশ্চিত কৰক আৰু তেওঁলোকে জনাৰ ভিত্তিতে তেওঁলোকৰ দৃঢ়তা গঢ়ি তোলক। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সৰু দলত প্ৰ.ণ সোধা বা নিজৰ ধাৰণাৰ বিষয়ে কোৱাৰ আত্মবি.াস থাকিলেও গোটেই শ্ৰেণীটোৰ সন্মুখত তেনে কৰাৰ আত্মবি.াস নাথাকে।
- **পৃথকীকৰণ (Differentiation)** ঃ ছাত্ৰ-ছাত্ৰীয়ে আৰম্ভ কৰিব পৰা আৰু তাৰ পৰা আগবাঢ়ি যাব পৰাকৈ বিভিন্ন দলৰ বাবে বিভিন্ন কাম ঠিক কৰক। মুকলিভাৱে শেষ কৰিব পৰা কামে ছাত্ৰ-ছাত্ৰীক কৃতকাৰ্যতাৰ সুযোগ দিয়ে। নিজৰ কামৰ নিজেই স্বত্বাধিকাৰী বুলি ভাবিবৰ বাবে ছাত্ৰ-ছাত্ৰীক কাম বাছি লোৱাৰ সুবিধা দিয়ক। ছাত্ৰ-ছাত্ৰীৰ নিজৰ শিকন আৰু দায়িত্ববোধৰ বাবেও এনে কৰাৰ প্ৰয়োজন। ব্যক্তিগত শিকনৰ বাবে ডাঙৰ শ্ৰেণীত অসুবিধা হয় কিন্তু বিভিন্ন ধৰণৰ কাম আৰু ক্ৰিয়াকলাপৰ জৰিয়তে এনে শিকন সম্ভৱ কৰিব পাৰি।

# Additional resources

- RVEC Bangalore: http://www.rvec.in/
- Teachers of India classroom resources: http://www.teachersofindia.org/en

# References/bibliography


Dombey, H. and Moustafa, M. (1998) *Whole to Part Phonics: How Children Learn to Read and Spell*. London: Centre for Literacy in Primary Education.

Graham, J. and Kelly, A. (2010) *Writing under Control: Teaching Writing in the Primary School*, 3rd edn. London: Routledge.

Graves, D. (2003) *Writing: Teachers and Children at Work*. Portsmouth: Heinemann.

Graves, D. (1994) *A Fresh Look at Writing*. Portsmouth: Heinemann.

O'Sullivan. O. (2007) *Understanding Spelling*. London: Centre for Literacy in Primary Education.

Smith, F. (1994) *Writing and the Writer*. London: Routledge.


# Acknowledgements


Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

Figure 1: Mother Dairy trademark, http://www.motherdairy.com.

Figure 2: chair, http://appfinder.lisisoft.com/app/my-first-100-words-in-hindi.html; toilet sign, http://www.ispeakhindi.com/2009/04/08/airport-signs-in-india/; stop sign, http://signs.kiev.ua/;

Figure 3: left: http://www.etsy.com/; right: http://giedd-kindergarten.blogspot.co.uk/.

Figure 4: left: photo of *Times* (India) by Aviva West (Flickr); middle: photo courtesy of the Medical Materials Clearinghouse at the Johns Hopkins University Bloomberg School of Public Health/Center for Communication Programs; right: *Barfi* film poster, http://infinitymoviez.blogspot.co.uk/.

Figure 5: http://www.thecurriculumcorner.com/2012/07/24/read-the-room-classroom-labels/.

Figure R1.1: http://tcnj.pages.tcnj.edu/.

Figure R1.2: http://nicadez.blogspot.co.uk/2013/02/the-importance-of-word-walls.html.

Figure R1.3: http://usf.vc/updates/driving-change-through-rural-education-in-india/.

Figure R1.5: http://schools.cbe.ab.ca/ b233/ showcase.htm.

Figure R1.6: http://www.kinderbykim.com/.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.